ব্যাকৰণগত বিষয় বুজোৱা প্ৰাকৃতিৰ প্ৰয়োগ হয়। পুৰুষসূচক বিভক্তি দুই প্ৰকাৰৰ ঃ এবিধ ধাতুৰূপৰ বিভক্তি আৰু আনবিধ সম্বন্ধ নিৰ্দেশক বিভক্তি। প্ৰথম বিধ ক্ৰিয়াপদ সাধন কৰিবলৈ আৰু দ্বিতীয় বিধ সম্বন্ধ নিৰ্দেশ কৰিবলৈ বিভিন্ন পুৰুষত যোগ দিয়া হয়। তলত দুয়োবিধৰে চমু আলোচনা দাঙি ধৰা হ'ল।

**২.২.১ ধাতুৰূপৰ পুৰুষসূচক বিভক্তি**

অসমীয়া ভাষাত ক্ৰিয়াপদ সাধন কৰিবলৈ -ওঁ, -আ, -অ, আৰু -এ— এই চাৰিটা প্ৰাকৃতি যোগ দিয়া হয়। কাল /দশা আৰু স্বৰান্ত/ব্যঞ্জনান্ত ভেদে ইহঁতৰ আকৌ কেইবাটাও উপাকৃতি পোৱা যায়। ইহঁতে বাক্যৰ সাঁচত কৰ্তাৰ সৈতে ক্ৰিয়াৰ অপৰিহাৰ্য সঙ্গতি স্থাপন কৰে। সেই বাবে এই প্ৰাকৃতিকেইটাক বিভক্তিৰ মৰ্যাদা দিয়া হয়। মন কৰিবলগীয়া কথাটো হ'ল, অসমীয়া ভাষাত এই বিভক্তিকেইটা পুৰুষৰ সৈতে জড়িত। অৰ্থাৎ, পুৰুষৰ সাল-সলনিৰ লগে লগে বিভিন্ন ধাতুত লগ লগা ক্ৰিয়াপদ সাধনৰ বিভক্তিৰো পৰিবৰ্তন হয়। তলৰ উদাহৰণকেইটাই কথাখিনি বুজাত সহায় কৰিব ঃ

| | | |
|---|---|---|
| মই | খাওঁ | (খা + ওঁ)। |
| তুমি | খোৱা | (খা + আ)। |
| তই | খাব | (খা + অ)। |
| সি/তাই খায় | | (খা + এ)। |

উল্লিখিত বাক্য চাৰিটালৈ লক্ষ্য কৰিলে দেখা যায়, পুৰুষৰ সলনিৰ লগে লগে ক্ৰিয়াপদত লগ লগা বিভক্তিৰো সাল-সলনি ঘটিছে। পুৰুষবাচক সৰ্বনাম পদকেইটাৰ বচন সলনি হ'লেও, অৰ্থাৎ একবচনৰ ঠাইত বহুবচনৰ ৰূপ বহুৱালেও বিভক্তিকেইটাৰ কোনো পৰিবৰ্তন নহয়। সেইদৰে খা ক্ৰিয়াৰ সলনি পঢ়, ধৰ, কিন, যা আদি অন্য যি কোনো ক্ৰিয়া ৰূপ বহুৱালেও উল্লিখিত বিভক্তিকেইটা আৱশ্যিকভাৱে লগ লাগিব। ক্ৰিয়াৰ কালৰ পৰিৱৰ্তনতো একেকেইটা বিভক্তিয়েই লগ লাগিব, মাথোঁ কোনো কোনো ক্ষেত্ৰত সিহঁতৰ উপাকৃতিগত সামান্য পৰিৱৰ্তন ঘটিব। কিন্তু পুৰুষৰ সলনিৰ লগে লগে তাৰ সৈতে সঙ্গতি ৰক্ষা কৰা ক্ৰিয়াপদৰ বিভক্তি সলনি নকৰিলে বাক্যৰ সাঁচত কেণা লাগিব। উদাহৰণ স্বৰূপে— * মই খাব, * সি খাওঁ — এনে বাক্য পুৰুষ আৰু ক্ৰিয়া-বিভক্তিৰ গাঁথনিক সঙ্গতিৰ অভাৱৰ হেতু ভুল বুলি বিবেচিত হ'ব। ইয়াৰ পৰা এইটোৱে প্ৰমাণ হয় যে অসমীয়াত ক্ৰিয়াপদ সাধনৰ -ওঁ, -আ, -অ, -এ এই চাৰিটা বিভক্তিৰ প্ৰতিটোৱেই বাক্যৰ সাঁচত অপৰিহাৰ্য, আৰু ইহঁতৰ গাঁথনিক অৰ্থ হৈছে— পুৰুষ। এই ফালৰ পৰা পুৰুষ অসমীয়া ভাষাৰ এক ব্যাকৰণগত বিষয়।

**২.২.২ সম্বন্ধ নিৰ্দেশক পুৰুষসূচক বিভক্তি**

অসমীয়া ভাষাত সকলো নাম পদত, অৰ্থাৎ বিশেষ্য আৰু সৰ্বনাম পদত কাৰকৰ বিভক্তি অপৰিহাৰ্য হিচাপে লগ লাগে [ছেদ ২.১ দ্ৰষ্টব্য]। বিশেষ্যৰ এটা বিশেষ শ্ৰেণী

হ'ল— জন্মসূত্রে, বৈবাহিক সূত্রে আৰু সামাজিক সূত্রে স্থাপিত সম্বন্ধ বুজোৱা শব্দবোৰ। এই শ্রেণীৰ শব্দত কাৰক-বিভক্তিৰ উপৰি আন এবিধ প্রাকৃতি পুৰুষ অনুসাৰে যোগ হয়। এই প্রাকৃতিকেইটাক সম্বন্ধ নির্দেশক পুৰুষবাচক বিভক্তি বুলিব পাৰি। বাক্যৰ সাঁচত ইহঁতে এক নির্দিষ্ট গাঁথনিক সঙ্গতি ৰক্ষা কৰে বাবে এই বিভক্তিকেইটাৰ প্রয়োগ ব্যাকৰণগত। ইহঁতে প্রকাশ কৰা গাঁথনিক অর্থৰ নাম পুৰুষ; অর্থাৎ পুৰুষ অনুসাৰে ইহঁতৰ প্রয়োগ হয়। সেই হেতুকে অসমীয়া ভাষাৰ পুৰুষ এক ব্যাকৰণগত বিষয়। তলত বিভক্তিকেইটাৰ প্রয়োগৰ তালিকা এখন সন্নিৱিষ্ট কৰা হ'লঃ

| পুৰুষ | সম্বন্ধবাচক বিশেষ্য | পুৰুষবাচক প্রাকৃতি | ক্রিয়াপদ |
|---|---|---|---|
| প্রথম/উত্তম ঃ মোৰ | মোমাই | - ০ | |
| দ্বিতীয়/মধ্যম (মান্য) ঃ তোমাৰ | মোমায়েৰা | -এৰা/-ৰা | |
| দ্বিতীয় /মধ্যম (তুচ্ছ) ঃ তোৰ | মোমায়েৰ | -এৰ/-ৰ | আহিছে |
| তৃতীয় /নাম ঃ তাৰ /তাইৰ | মোমায়েক | -এক/-ক | |

প্রসঙ্গ ক্রমে উল্লেখযোগ্য যে সম্বন্ধবাচক বিশেষ্যত কাৰক-বিভক্তি লগ লাগিলে উল্লিখিত সম্বন্ধ নির্দেশক পুৰুষবাচক প্রাকৃতিকেইটাৰ পিছতহে লগ লাগিব পাৰে। সেইদৰে বহুবচনসূচক প্রাকৃতিউক্ত প্রাকৃতিবোৰৰ পিছত বহে। কিন্তু লিঙ্গ নির্দেশক প্রাকৃতিবোৰ সদায় সিবোৰৰ আগত বহে ঃ যেনে— মামীয়েকহঁতলৈ। অর্থাৎ অসমীয়া সম্বন্ধবাচক বিশেষ্যত দুখলপীয়া বিভক্তিৰ সংযোগ ঘটে ঃ প্রথমটো পুৰুষবাচক সম্বন্ধ নির্দেশক আৰু দ্বিতীয়টো কাৰকবাচক।

এইখিনিতে এটা কথা বিশেষভাৱে মন কৰিবলগীয়া যে কেতবোৰ সম্বন্ধবাচক বিশেষ্য শব্দ এই বিভক্তিকেইটাৰ প্রয়োগ অবিহনেও বাক্যত ব্যৱহাৰ হ'ব পাৰে। বিশেষকৈ সম্বন্ধবাচক বিশেষ্যটো যদি তৎসম অর্থাৎ সংস্কৃত শব্দ হয়, তেন্তে তাত সম্বন্ধ নির্দেশক পুৰুষবাচক বিভক্তিৰ প্রয়োগ নহয়, যেনে— তোমাৰ পতিয়েৰা /গৃহস্থৰা /মাতৃয়েৰা /পিতৃয়েৰা, তোৰ পতিয়েৰ /গৃহস্থৰ /মাতৃয়েৰ /পিতৃয়েৰ, তাইৰ পতিয়েক /গৃহস্থক, তাৰ /তাইৰ মাতৃয়েক /পিতৃয়েক এনে প্রয়োগ পোৱা নাযায়। এই ক্ষেত্রত শূন্য বিভক্তি যোগ হোৱা বুলিহে ধৰিব লাগে।

**২.৩ অসমাপিকা ক্রিয়া**

অসমীয়া ভাষাত অসমাপিকা ক্রিয়াপদৰ গঠনত এটা ৰূপাত্মক সর্গ বা বিভক্তিৰ প্রয়োগ হোৱা দেখা যায়। এই বিভক্তিটো হৈছে -ই। ইয়াৰ প্রয়োগৰ উদাহৰণ এনে ধৰণৰ ঃ

খা- ই ঃ সি ভাত খাই স্কুললৈ গ'ল।